

উন্নয়নৰ লক্ষ্য লৈ
আহক আৰু এখোজ
আগুৱাই যাঁও

।। ৭৮ নং গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক উৎপল বৰাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত ।।
জে. এছ. কম্পিউটাৰ শ্যলিউচন এণ্ড প্ৰেছ, গহপুৰত মুদ্ৰিত, ফোন- ৯৬১৩৩৮৭২৬৬



৭৮নং গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক
শ্ৰী উৎপল বৰাৰ

# প্ৰথম বৰ্ষপূৰ্তি খতিয়ান

২০১৬-১৭ বৰ্ষ



ভাৰত মাতা কী জয়



টেট শিক্ষক সকলৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা অনুষ্ঠানৰ
পাছত মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ লগত বাৰ্তালাপত বিধায়ক।



নিজাবাসগৃহত কৰ্মৰত অৱস্থাত বিধায়ক।

# বিভিন্ন বিভাগ আৰু কামৰ খতিয়ান

## ২০১৬-১৭ বৰ্ষ

### ১। গড়কাপ্তানী বিভাগ (পথ)

প্ৰথম পৰ্যায়ত পথ মেৰামতি আৰু পুনৰ নিৰ্মাণ শিতানত ২ কোটি আৱন্টন পোৱা হয়।



(ক) এই টকাৰে নিজ গহপুৰৰ গড়কাপ্তানী ডাক বঙলাৰ পৰা ধেনুধৰা হৈ হাৰাজানলৈ ২৩.১ কি.মি. পথৰ ২ কি.মি.ৰ পৰা ১০ কি.মি লৈ ১.৫০ কোটি টকা আৱন্টন দিয়া হয়। কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত।

(খ) ১৫ লাখ টকা ঘাঁহিগাঁৱস্থিত শ্বহীদ মুকুন্দ কাকতি পথৰ বাবে আৱন্টন দিয়া হয়। এই কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে।

(গ) প্ৰায় ৩৫ লাখ টকা কলাবাৰীৰ মৰনৈগুৰিৰ পৰা গাগলগাঁও হৈ শঁকুৰা পথ নিৰ্মাণৰ বাবে আৱন্টন দিয়া হয়। ইতিমধ্যে এই কাম সম্পূৰ্ণ হোৱাৰ পথত।

### ২। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৮৬ তম্ কেন্দ্ৰীয় বাৰ্ষিক অধিবেশনৰ উদ্‌যাপন উপলক্ষে গড়কাপ্তানী বিভাগৰ পথ উন্নয়ণৰ বাবে নিম্ন উল্লেখিত ৰাস্তা আৰু কালভাৰ্টসমূহ প্ৰায় ৪ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰি উলিওৱা হয়।

(ক) সোলেঙী, ৰজাবাৰী, সোণাপুৰ ৰাস্তা লগতে এটা বক্স টাইপ কালভাৰ্ট নিৰ্মাণ কৰা হয়।

(খ) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সংঘৰ অধিবেশনৰ মূল মণ্ডপলৈ যোৱা এটা অস্থায়ী উপপথ নিৰ্মাণ কৰা হয়।

(গ) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আমদৈগুৰিলৈ (ডুবিয়া ৰেলষ্টেচন) ৪ কি.মি. পথৰ মেৰামতিৰ কাম চলি আছে।

(ঘ) ব্ৰহ্মাজানৰ পৰা ডেলহাউচীলৈ ৪ কি.মি. পথ মেৰামতিৰ কাম চলি আছে।

(ঙ) নিজ গহপুৰৰ গড়কাপ্তানী ডাক বঙলাৰ পৰা হাৰাজান পথৰ ১১ কি.মি.ৰ পৰা ২৩.৬ কি.মি. লৈ পথৰ মেৰাম তিৰ কাম চলি আছে।

(চ) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ (ককিলা) পৰা ঠাইচেংবাৰীলৈ প্ৰথম ৫ কি.মি. পথ আংশিকভাৱে মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হয়।


(ছ) ২ নং নাহৰণিৰ পৰা শিমলুগুৰি সংযোগী পথটো নিৰ্মাণ কৰা হয়।

(জ) গোপালপুৰ পথৰ পৰা টিঙালীবড়ী সংযোগী পথ নিৰ্মাণ কৰা হয়।


(ঝ) স্বাধীনোত্তৰ কালৰ পিছৰে পৰা সংযোগ বিচ্ছিন্ন হৈ থকা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কমলাপথাৰৰ পৰা ভেৰভেৰী মিচিং গাঁৱলৈ পথ আৰু কাঠৰ দলং নিৰ্মাণ কৰি সংযোগীকৰণ কৰা হয়।

### ৩। গড়কাপ্তানী বিভাগ (গৃহ)


(ক) প্ৰায় ৭০ লক্ষ টকা ব্যয় কৰি দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত পৰিত্যক্ত হৈ থকা ক্ৰমে হাৰাজান, কলাবাৰী, ৰাঙলীয়াল স্থিত গড়কাপ্তানী ডাক বঙলা তিনিটা মেৰামতি ও নিৰ্মাণ কৰি উলিওৱা হয়।



হাৰাজান ডাক বঙলা



কলাবাৰী ডাক বঙলা



ৰাঙলীয়াল ডাক বঙলা

(খ) গহপুৰ নগৰস্থিত মহকুমাধিপতিৰ কাৰ্যালয় সমীপত ২ কোটি টকা ব্যয় সাপেক্ষে আৰৰ্ত্ত ভৱন (Circuit House)ৰ নিৰ্মাণৰ কাম চলি আছে।

(গ) প্ৰায় ২ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া উপকোষাগাৰ নিৰ্মাণৰ অনুমোদন।

(ঘ) ১ কোটি টকা ব্যয় সাপেক্ষে গহপুৰ মহকুমা ন্যায়িক আদালতৰ আৱাসিক ভৱনৰ নিৰ্মাণৰ কাম আৰম্ভ।

(ঙ) ৫ কোটি টকাৰ ব্যয় সাপেক্ষে গহপুৰ মহকুমা ন্যায়িক আদালত ভৱন নিৰ্মাণৰ অনুমোদন।

(চ) ৪৫ লাখ টকা ব্যয় সাপেক্ষে সহকাৰী আয়ুক্তৰ আবাসগৃহ নিৰ্মাণৰ অনুমোদন ও কাম আৰম্ভ কৰা হৈছে।

(ছ) ১ কোটি টকা ব্যয় সাপেক্ষে ভোলাগুৰি চাহ বাগিছালৈ যোৱা পথৰ সমীপত অৱস্থিত জ্যোতি উদ্যানত মাননীয় মুখ্যমন্ত্ৰীৰ দ্বাৰা বীৰাঙ্গনা কনকলতা বৰুৱাৰ স্মৃতিত প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন আৰু কামৰ আৰম্ভ।

(জ) প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ নিৰ্মাণস্থলী ভোলাগুৰিৰ 'জ্যোতি চিত্ৰবন'। ইতিমধ্যে জৰাজীৰ্ণ হৈ পৰা, বিগত কোনো এখন চৰকাৰেই দৃষ্টি নিক্ষেপ নকৰা 'জ্যোতি চিত্ৰবন'ৰ সংৰক্ষণৰ বাবে প্ৰথম পৰ্যায়ত ২০ লাখ টকাৰ অনুদান মাননীয় মুখ্যমন্ত্ৰীয়ে যোৱা ২০১৬ চনৰ ১৭ জানুৱাৰীৰ শিল্পী দিৱসৰ দিনা আগবঢ়ায় আৰু কাম আৰম্ভ হৈছে।

(ঝ) ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ ২০ চেপ্তেম্বৰৰ কাৰ্যসূচী ৰূপায়ন কৰিবলৈ গৈ বৃটিছ পুলিচৰ বন্দুকৰ গুলীত দেশৰ বাবে আত্ম বলিদান দিয়া বীৰাঙ্গনা কনকলতা বৰুৱা, বীৰ মুকুন্দ কাকতিৰ লগতে সাহসেৰে গহপুৰ থানাত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰা প্ৰয়াত ৰামপতি ৰাজখোৱাৰ স্মৃতি সজীৱ কৰি ৰখাৰ প্ৰয়াসেৰে ঐতিহ্যমণ্ডিত গহপুৰ আৰক্ষী থানাখন সংৰক্ষণ কৰাৰ বাবে আনটাইদ ফাণ্ডৰ পৰা ২০ লাখ টকা আৱন্টন পোৱা হয়।

**৪। ভৈয়াম জনজাতি অন্যান্য পিছপৰা শ্ৰেণীৰ বিভাগ ঃ**

(ক) ৮১ লাখ টকা ব্যয় সাপেক্ষে ভৈয়াম জনজাতি অঞ্চলৰ মুঠ ১৭খন আঁচনি গহপুৰ সমষ্টিৰ সংহত জনজাতি উন্নয়ণ প্ৰকল্পৰ (ITDP)ৰ অধীনত বিগত ২০১৩-১৪ বৰ্ষত অনুমোদন হোৱা কাম-কাজসমূহ বিগত চৰকাৰৰ দিনত কৰিব নোৱাৰি পেলাই থোৱাত বৰ্তমান সেই আঁচনিসমূহ ৰূপায়ন কৰাৰ ব্যৱস্থা গ্ৰহণ।

**আঁচনি সমূহৰ নাম –**

১। লোহিতমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত মাটি ভৰোৱা কাম।
২। ৰাজপুৰৰ পৰা নতুন সোণাপুৰ সংযোগী পথত শিল-বালি আৰু মাটিৰ কাম।
৩। ককিলা ডাইমণ্ড (Diamond) স্কুলত মাটি ভৰোৱা কাম (তিনি লাখ টকা)।
৪। চেনিজান গডকাপ্তানি পথৰ পৰা হেম কুটুমৰ ঘৰৰ তিনিআলিলৈ সংযোগ পথত শিল-বালি আৰু মাটি ভৰোৱা কাম (পাঁচ লাখ টকা)।
৫। গজেন পথাৰৰ সমূহীয়া ভৱন (Community Hall) ৰ মেৰামতি আৰু পুনৰ নিৰ্মাণ (পাঁচ লাখ টকা)।
৬। আলুপাৰা চেন্টাৰৰ পৰা বিক্ৰমপুৰ ৰাস্তালৈ সংযোগী পথত শিল-বালি দিয়া।
৭। পূৰ্বজ্যোতি নিগমৰ পৰা গোপচাৰগুৰি হৈ বিক্ৰমপুৰৰ সংযোগী পথত শিল-বালিৰ কাম।
৮। আলুপাৰা দৈমালুৰ পৰা ককিলা সংযোগী পথত শিল-বালি ভৰোৱা কাম।
৯। পশ্চিম পালেংবাৰীৰ পৰা পূৱ পালেংবাৰী পথত মাটি ভৰোৱা কাম।
১০। ৰাজগড়ৰ পৰা আমলাইগুৰিৰ কৃষিবান্ধ নিৰ্মাণ।
১১। গড়হাগা তিনিআলিৰ পৰা ইকৰাবাৰী সংযোগী পথত মাটি আৰু শিল-বালি ভৰোৱা।
১২। ব্ৰহ্মপুৰ মন্দিৰৰ মেৰামতি আৰু ৰং কৰা।
১৩। গোপচাৰগুৰিৰ পৰা চেঁচাবালি সংযোগী পথত মাটি আৰু শিল-বালি ভৰোৱা।
১৪। আঞ্চলিক ব্ৰহ্ম মন্দিৰৰ সমূহীয়া ভৱনৰ মেৰামতি।
১৫। বিক্ৰমপুৰ ঔগুৰীৰ পৰা ডুবিয়া ডফলাগাঁও সংযোগী পথত শিল-বালি পেলোৱা কাম (ছয় লাখ টকা)।
১৬। ৰঙাজানৰ পৰা (E & T) সোণাপুৰ সংযোগী পথত মাটি আৰু শিল-বালি পেলোৱা কাম।
১৭। ককিলাৰ পৰা দৈমালু সংযোগী পথত শিল-বালি পেলোৱা কাম (চাৰি লাখ টকা)।

(খ) ১৫ লাখ টকা ব্যয় সাপেক্ষে মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ পকী চাৰিবেৰৰ কাম কৰা হয় লগতে মিছামাৰীৰ পঞ্চায়তৰ ৰাস্তা আৰু হিউম পাইপৰ কালভাৰ্টৰ নিৰ্মাণৰ কাম আৰম্ভ।

(গ) গহপুৰ মহকুমাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস নিৰ্মাণৰ বাবে ৫০ (পঞ্চাশ) লাখ টকাৰ অনুমোদন।

(ঘ) আলুপাৰা এম.ই. স্কুলৰ শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে ২৫ লাখ টকাৰ অনুমোদন।

(ঙ) ১০ লাখ টকা ব্যয় সাপেক্ষে আলুপাৰা উপ-স্বাস্থ্যকেন্দ্ৰৰ সম্প্ৰসাৰণত অনুমোদন।

(চ) ৪ নং বালিজান এল.পি. স্কুলৰ গৃহ নিৰ্মাণৰ বাবে ১০ লাখ টকাৰ অনুমোদন।

(চ) বেংবিল উপস্বাস্থ্য কেন্দ্ৰৰ উন্নীতকৰণৰ বাবে ১০ লাখ টকাৰ অনুমোদন।

(জ) গহপুৰ সমষ্টিৰ জনজাতি বসতি প্ৰধান এলেকাসমূহৰ বাবে ১ কোটি ২৫ লাখ টকাৰ অনুমোদনৰ পথত।

**৫। প্ৰধানমন্ত্ৰী গ্ৰাম-চড়ক যোজনা আঁচনি ঃ**

গহপুৰ সমষ্টিৰ ভিতৰুৱা গাঁওসমূহত বাস কৰা ৰাইজৰ যাতায়তৰ সুবিধাৰ বাবে নিম্ন উল্লেখিত ৰাস্তাসমূহ প্ৰধানমন্ত্ৰী গ্ৰাম-চড়ক যোজনা আঁচনিৰ অধীনত পকীকৰণৰ অনুমোদন ও পকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।





(ক) গহপুৰৰ পৰা গহপুৰ চাহ বাগিছালৈ ৪ টা কালভাৰ্ট সহ ২.৪৭ কি.মি. পথ পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(খ) গহপুৰৰ পৰা ভোগপুৰলৈ ৫টা কালভাৰ্ট সহ ৩.৬৭৫ কি.মি. পথ পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(গ) চাৰিখেলীয়া-ঘিমৰুজান ৰাস্তাৰ ৩ টা কালভাৰ্ট সহ ২.২৬ কি.মি. পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ঘ) গমিৰি চেন্টাৰৰ পৰা বেবেজীয়ালৈ ১.১১১ কি.মি. পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ঙ) বাড়তীগুৰিৰ পৰা পুৰণি বুৰৈ ঘাটলৈ ০.৮০৭ কি.মি. পথ পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(চ) পশ্চিম টকৌবাৰীৰ পৰা পুৰণি গেৰাজলৈ ৯ টা কালভাৰ্ট সহ ৮.০৬৪ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ছ) মাগনী-পাকেন ৰোডৰ ১টা কালভাৰ্ট সহ ৮.৬১২ কি.মি. পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(জ) গহপুৰৰ পৰা পুৰুপবাৰী চাহ বাগিচালৈ ২টা কালভাৰ্ট সহ ১.৫২০ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ঝ) জালুকবাৰীৰ পৰা ইটাপাৰালৈ ৩ টা কালভাৰ্ট সহ ২.৭৮৭ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ঞ) গোপালপুৰৰ পৰা বাগানীবাৰীলৈ ৫ টা কালভাৰ্ট সহ ৩.৬৭৫ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ট) মৰনৈগুৰিৰ পৰা কলমৌগুৰিলৈ ৭ টা কালভাৰ্ট সহ ৮.৬১২ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ঠ) ৰজাবাৰীৰ পৰা চৰাইবাৰীলৈ ৭ টা কালভাৰ্ট সহ ৫.১৭৬ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ড) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বামুণগাঁও হৈ কলাবাৰী মহাবিদ্যালয়ৰ সংযোগী ৰাস্তাটো ২ টা কালভাৰ্ট সহ ১.৩২৩ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ঢ) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বাদল পথাৰলৈ ২ টা কালভাৰ্ট সহ ১.৫৩৩ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ণ) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নয়াঘগৰা চাহ বাগিছালৈ ৫ টা কালভাৰ্ট সহ ২.৪৩৭ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ত) শান্তিপুৰৰ পৰা বিষ্ণুপুৰলৈ ৪ টা কালভাৰ্ট সহ ৩.২৭ কি.মি. ৰাস্তা পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(থ) ঘগৰাবস্তীৰ পৰা নলবাৰী হৈ সোণাপুৰ সংযোগী পথ ৬ টা কালভাৰ্ট সহ ৩.৮৩৯ কি.মি. পথ পকীকৰণৰ ব্যৱস্থা গ্ৰহণ।

(ট) ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ভোলাগুৰী চাহ বাগিছালৈ সংযোগী পথৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে।

(ঠ) কলাবাৰীৰ টিহুলাবাৰীৰ পৰা তাতিডুবি সংযোগী পথ নিৰ্মাণ কৰা হৈছে।

বিঃদ্ৰঃ- ওপৰত উল্লেখ কৰা ৰাস্তাসমূহত পূৰ্বতে থকা কাঠৰ দলং সমূহৰ ঠাইত সৰ্বমুঠ ২৪খন পকী দলং নিমাৰ্ণৰ ব্যৱস্থা গ্ৰহণ কৰি ৰাইজৰ যাতায়ত সমস্যাৰ স্থায়ী সমাধান কৰা হৈছে। লগতে ধন্দি সংযোগী কাঠৰ দলংখন পকী দলঙলৈ উন্নীতকৰণ কৰা হৈছে।

## ৬। স্বাস্থ্য বিভাগ ঃ

(ক) গহপুৰ মহকুমাৰ অসামৰিক চিকিৎসালয়ত (X-Ray) গৃহ নিৰ্মাণ আৰু ডিজিটেল (X-Ray) মেচিন সংস্থাপনেৰে সমষ্টিবাসীলৈ চৰকাৰী বিনামূলীয়া সেৱাৰ আৰম্ভ কৰা হৈছে।

(খ) উক্ত চিকিৎসালয়খনৰ বৰ্হি বিভাগৰ লগতে পুৰুষ-মহিলা ৰোগী থকা ৱাৰ্ডসমূহৰ মজিয়া সমূহ টাইলছেৰে নিৰ্মিত কৰি আধুনিকীকৰণ কৰা হয়।

(গ) উক্ত চিকিৎসালয়ত গহপুৰ উৎসৱৰ ৰাহি হোৱা পুঁজি আৰু স্থানীয় ব্যৱসায়ী শ্ৰীদীপক আগৰৱালা আৰু ডাঃ ৰঞ্জিত কাৰীৰ অনুদানেৰে দুটা শীত-তাপ নিয়ন্ত্ৰিত কোঠা (কেবিন) আমি আৰু মাননীয় সাংসদ মহোদয়ৰ দ্বাৰা উদ্বোধন কৰা হৈছে।

(ঘ) উক্ত চিকিৎসালয়খনৰ বিজ্ঞানসন্মতভাৱে ঔষধসমূহ ৰাখিবলৈ ঔষধৰ ভড়াল পুনৰ আধুনিকভাৱে নিৰ্মাণ কৰা হয়।

(ঙ) চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণৰ ফলত ভাঙি পেলোৱা বুৰৈ ঘাট উপ-স্বাস্থ্যকেন্দ্ৰটো আমাক অধ্যক্ষ হিচাবে লৈ নিৰ্মাণ কমিটি গঠন কৰি নতুনকৈ নিৰ্মাণ কৰা হয়।

(চ) মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুঁজিৰ পৰা গহপুৰ সমষ্টিৰ ৩৫ গৰাকী কৰ্কট আৰু হৃদৰোগীলৈ মুঠ ১৫ লাখ টকা উন্নত চিকিৎসা গ্ৰহণৰ বাবে প্ৰদান কৰা হয়।

## ৭। শিক্ষা বিভাগ ঃ

(ক) অসম চৰকাৰৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেটত প্ৰদান কৰা আছুতীয়া পুঁজিৰ (UNTIED FUND)ৰ পৰা ৫০ লাখ টকা ব্যয় সাপেক্ষে শংকৰদেৱ শিশু নিকেতন ক্ৰমে হাৰাজান, দক্ষিণ কলাবাৰী, ককিলা, গমিৰি আৰু কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে প্ৰতিখন শিক্ষানুষ্ঠানলৈ ১০ লাখ টকাকৈ প্ৰদান কৰাৰ লগতে নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে।

(খ) গহপুৰ সমষ্টিৰ অন্তৰ্গত সকলোকেইখন চৰকাৰী নিম্ন আৰু উচ্চ প্ৰাথমিক, মজলীয়া, মধ্য ইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয় মুঠতে ৪৬৩ খন বিদ্যালয়ৰ লগতে অ-মঞ্জুৰীকৃত ১১৬ খন বে-চৰকাৰী নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মধ্যাহ্ন ভোজন বিতৰণৰ সু-ব্যৱস্থা কৰা হৈছে।

(গ) মুখ্যমন্ত্ৰী মহোদয়ৰ বিশেষ বৃত্তিমূলক পৰীক্ষাৰ মাননীসমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু শিক্ষা বিভাগৰ বিষয়াবৰ্গৰ উপস্থিতিত সভা পাতি সময়মতে বিতৰণ কৰা হৈছে।

**৮। চাহ আৰু প্ৰাক্তন চাহ-জনজাতি উন্নয়ণ বিভাগ ঃ**




(ক) চাহ জনগোষ্ঠীয় অঞ্চলত বাস কৰা দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৩৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ চাইকেল প্ৰদান কৰাৰ লগতে বিশুদ্ধ খোৱা পানী সুবিধাৰ বাবে ১০০০ গৰাকীলৈ ফিল্টাৰ একোটাকৈ বিতৰণ কৰা হয়।

(খ) চৰকাৰী ভাৱে পূৰুপবাৰী আৰু ভোলাগুৰি চাহ বাগিছাত ভ্ৰাম্যমান চিকিৎসা সেৱা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ।

**৯। জনস্বাস্থ্য কাৰিকৰী বিভাগ ঃ**

পাইপ ৱাটাৰ চাপ্লাই স্কীমৰ জৰিয়তে পশ্চিম জৰাবাৰীত নতুনকৈ পানী যোগান আচনি স্থাপন কৰা হৈছে। ইয়াৰোপৰি কস্বং গাঁও, খেৰণীবাৰী, বালিজান এন. চি., কঠালনিবাৰী আৰু বাকৰিদলনীত নতুনকৈ বিশুদ্ধ খোৱা পানী যোগান আঁচনিৰ প্ৰস্তাৱ দাখিল কৰা হৈছে। থিক তেনেকৈ চাহ-বাগিছাসমূহৰ পানীযোগান আঁচনিৰ অধীনত হেলেম বাগান, নিৰ্মলা বাগান, ১নং ডফলাগড়, বুৰৈ বাগান, বুৰৈ চাহ বাগান বাগাবস্তীলৈ বিশুদ্ধ পানীযোগানৰ নতুন আঁচনি দাখিল কৰাৰ লগতে নিউ পুৰুপবাৰী আৰু ভোলাগুৰি চাহ বাগিছাৰ পানী যোগান আঁচনি দুটাৰ পুনৰ নিৰ্মাণ কৰি সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

ইয়াৰোপৰি ৰঙাজান ডফলা আৰু মাগনী পাম (PWSS) আঁচনি দুটা সম্পূৰ্ণ বিকল হৈ যোৱাৰ পিছত পুনৰ নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। লগতে গহপুৰ সমষ্টিৰ পূৰ্বতে থকা অচল পানী যোগান আঁচনিসমূহৰ ভিতৰত ডফলাগড়, ৰজাবাৰী, নলনীবাৰী ব্ৰহ্মাজান, পিছলা কৈৱৰ্ত্য আৰু দেউৰিচুক গাঁৱৰ পানী যোগান আঁচনিসমূহৰ পুনৰ নিৰ্মাণৰ বাবে প্ৰস্তাৱ প্ৰেৰণ। ইয়াৰোপৰিও ২২ খন বিদ্যালয়ত ঠাইতে পানী যোগান আঁচনিৰ নামত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা গ্ৰহণ। ইয়াৰোপৰি স্বচ্ছ ভাৰত অভিযান আঁচনিৰ অধীনত ছয়দুৱাৰ উন্নয়ন খণ্ডত ২৪৮৮ টা আৰু পূৱ ছয়দুৱাৰ উন্নয়ণ খণ্ডত ২৯০০ টা, মুঠ ৫৩৮৮ টা দুখীয়া ৰাইজৰ বাবে অনাময় শৌচাগাৰ নিৰ্মাণ কৰা হয়।

**১০। জলসিঞ্চন বিভাগ ঃ**

(ক) গহপুৰ সমষ্টিৰ অন্তৰ্গত ৮৮৩০ হেক্টৰ কৃষি ভূমিত পানীযোগানৰ ব্যৱস্থা নিশ্চিত কৰাৰ মহান উদ্দেশ্য আগত ৰাখি ৪১৪কোটি টকা ব্যয় সাপেক্ষে বুৰৈ মেডিয়াম জলসিঞ্চন প্ৰকল্প প্ৰস্তুত কৰি মুখ্য অভিযন্তাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰাক্কলন প্ৰস্তুত কৰি প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

(খ) প্ৰধানমন্ত্ৰী কৃষি চিচাই যোজনাৰ (PMKSY)ৰ অধীনত গহপুৰ সমষ্টিৰ ৩৪খন পঞ্চায়তত অগভীৰ নলী-নাদৰ জৰিয়তে কৃষি পথাৰত পানী যোগানৰ ব্যৱস্থাৰ প্ৰস্তুতিকৰণ।

**১১। ৰেছম আৰু হস্ততাঁত বস্ত্ৰশিল্প বিভাগ ঃ**

(ক) এড়ি পলু পোহাৰ লগতে সুতা তৈয়াৰ কৰি স্বাৱলম্বী কৰাৰ মহান উদ্দেশ্য আগত ৰাখি উত্তৰ-পূৱ প্ৰান্তৰ হস্ততাঁত উন্নীতকৰণ আঁচনিৰ (NERTPS) অধীনতসমষ্টিৰ ৪৫ গৰাকী মহিলাক ৮৫ হাজাৰ টকাকৈ এই অনুদান আগবঢ়োৱা হয়।

(খ) মালিপুৰ (VGR) আৰু বড়িগাঁও (VGR) দুয়োখনতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ লগত যৌথভাৱে চোম আৰু কেছেৰু পুলি ৰোপনৰ আঁচনি গ্ৰহণ কৰা হৈছে।

**১২। বিদ্যুৎ বিভাগ ঃ**

দীনদয়াল উপাধ্যায় গ্ৰাম্য জ্যোতি যোজনা আঁচনিৰ অধীনত পিছপৰা গাঁও সমূহলৈ নতুনকৈ বিদ্যুৎ সংযোগৰ বাবে পূৰ-ছয়দুৱাৰ উন্নয়ণ খণ্ডৰ অধীনত মুঠ ৭৪ খন গাঁৱলৈ নতুনকৈ বিদ্যুৎ সংযোগৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। ঠিক তেনেকৈ ছয়দুৱাৰ উন্নয়ণ খণ্ডৰ অধীনত মুঠ ৭১ খন গাঁৱলৈ নতুনকৈ বিদ্যুৎ সংযোগৰ ব্যৱস্থা গ্ৰহণ। গহপুৰ সমষ্টিৰ কেকুৰীজান পঞ্চায়তৰ অন্তৰ্গত ডফলাগড়ত 5 MVA ক্ষমতাসম্পন্ন দুটা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হয়। যাৰ ফলত ব্ৰহ্মাজান, ডফলাগড়, নিৰ্মলা আৰু বুৰৈ বাগান অঞ্চলত বিদ্যুৎ যোগানৰ ক্ষেত্ৰত উপকৃত হৈছে।

**১৩। পৰিবহন বিভাগ ঃ**

**(ক) গহপুৰ সমষ্টিৰ পূৰ প্ৰান্তৰ হাৰাজানৰ পৰা নগাঁও হৈ গুৱাহাটী অভিমুখে অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত দুখনকৈ শীত -তাপ নিয়ন্ত্ৰিত বাছৰ সেৱা আৰম্ভ কৰা হৈছে।**

(খ) গহপুৰ সমষ্টিৰ অন্তৰ্গত পৰিবহন নিগমৰ বাছ আস্থানসমূহ পুনৰ নিৰ্মাণৰ বাবে প্ৰাকঃকলন প্ৰস্তুত কৰা হৈছে।

**১৪। জলসম্পদ বিভাগ ঃ**

(ক) গহপুৰ সমষ্টিৰ পূৰ প্ৰান্তৰে বৈ যোৱা সোলেঙ্গী নদীখনে বহুবছৰ ধৰি নদীখনৰ দুয়োপাৰৰ ৰাইজক জ্বলা-কলা খুৱাই আহিছিল। সেয়েহে এই জ্বলন্ত সমস্যাৰ সমাধানৰ বাবে SDRF ৰ পৰা আৱন্টন পোৱা ৫ কোটি ৮২ লাখ টকা ব্যয় সাপেক্ষে নদীখনৰ চেনেল কাটিং আৰু মথাউৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পথত।

(খ) গহপুৰ নগৰবাসীৰ সন্মুখত প্ৰতিবছৰে বিভীষিকাৰ সৃষ্টি কৰি অহা নগৰৰ মাজেৰে বৈ যোৱা চত্ৰং নদীখনক নিয়ন্ত্ৰণ কৰাৰ বাবে MNR আঁচনিৰ অধীনত ২৫ লাখ টকা ব্যয় সাপেক্ষে নদীখনৰ সংৰক্ষণ অৰ্থাৎ Protection ৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। বাকী থকা অংশ সমূহতো পকা প্লেট দি নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(গ) পাকেন আৰু চৰাইবাৰী অঞ্চলৰ ৰাইজক বানপানীৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে MNR আঁচনিৰ অধীনত ৮ লাখ টকা ব্যয় সাপেক্ষে মথাউৰি নিৰ্মাণত অনুমোদন।

**১৫। খাদ্য আৰু অসামৰিক যোগান বিভাগ ঃ**

(ক) গহপুৰ সমষ্টিত বিগত চৰকাৰৰ দিনত নীতি-বৰ্হিভূত ভাৱে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত প্ৰস্তুত কৰা পৰিয়াল পৰিচয় পত্ৰ সমূহৰ পৰা মুঠ ২১০০ গৰাকীৰ নাম কৰ্তন কৰি প্ৰকৃততে পাবলগীয়া দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহৰ নামত আৱন্টন দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়।

**১৬। মীন বিভাগ ঃ**

(ক) নীল বিপ্লৱ আঁচনিৰ অধীনত মীন পালন কৰি স্বাৱলম্বী হোৱাৰ বাবে ১১ গৰাকী হিতাধিকাৰীক ৫৬ হাজাৰ টকাকৈ আৰ্থিক সাহাৰ্য প্ৰদান কৰা হয়।

(খ) ৰাজ্যিক পৰিকল্পনা শিতানত সাধাৰণ শ্ৰেণীৰ ৩ গৰাকী আৰু অনুসূচীত জাতিৰ দুগৰাকীক ৭৮ হাজাৰ ৪০০ টকাকৈ মীন পালনৰ বাবে আৰ্থিক সাহাৰ্য প্ৰদান কৰা হয়।

**১৭। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ ঃ**

(ক) গহপুৰ সমষ্টিৰ অন্তৰ্গত দুটা উন্নয়ণ খণ্ডৰ পূৰ ছয়দুৱাৰ উন্নয়ণ খণ্ডত ২০১৬-১৭ বৰ্ষত প্ৰধানমন্ত্ৰী গ্ৰাম্য আবাস যোজনাৰ জৰিয়তে মুঠতে ১১৬৫ টা আবাসগৃহৰ আৱন্টন পোৱা হয়। এই বৰ্ষত উন্নয়ণ খণ্ডটোৱে ৯৮.৪৯ লাখ টকা খৰছ কৰিবলৈ সক্ষম হৈছে। আনহাতে ৰাষ্ট্ৰীয় পৰিয়াল আঁচনিৰ অধীনত ৩৮ গৰাকী বিধৱা মহিলাক সাহাৰ্য প্ৰদান কৰা হয়। ইয়াৰোপৰি মুঠতে ২৩৯ গৰাকী বৃদ্ধ-বৃদ্ধালৈ বৃদ্ধ পেন্সন প্ৰদান কৰা হৈছে।

(খ) ছয়দুৱাৰ উন্নয়ণ খণ্ডত ২০১৬-১৭ বৰ্ষত প্ৰধানমন্ত্ৰী গ্ৰাম্য আৱাস যোজনা আঁচনিৰ জৰিয়তে ৪৩১ জন হিতাধিকাৰীক আবাসগৃহৰ বাবে বাছনি কৰা হৈছে। এই বৰ্ষত মুঠ ৩ কোটি ৯ লাখ ৩২ হাজাৰ টকাৰ বিভিন্ন উন্নয়ণমূলক আঁচনিৰ কাম সম্পন্ন কৰা হৈছে। ৰাষ্ট্ৰীয় পৰিকল্পনা আঁচনিৰ অধীনত ৩২ গৰাকী বিধৱা মহিলাক সাহাৰ্য প্ৰদান কৰা হৈছে। ইয়াৰোপৰি মুঠতে ২৪২ গৰাকী বৃদ্ধ-বৃদ্ধালৈ পেন্সন প্ৰদান কৰা হৈছে।

## ১৮। কৃষি বিভাগ ঃ

(ক) গহপুৰ সমষ্টিৰ ১০,৫৫৭ জন কৃষকৰ ২৫.১৬৩ হেক্টৰ খেতিৰ মাটিত বতৰ অনুযায়ী খেতি কৰিবৰ বাবে খেতিয়ক ৰাইজৰ মাজত উচ্চ মানদণ্ডৰ ধানৰ বীজ, আলু বীজ, সৰিয়হ বীজ, মটৰ মাহৰ বীজ, তিলৰ বীজ, বাদামৰ বীজ, জালুকৰ বীজ, ঘেঁহু বীজ, মচুৰ মাহৰ বীজ আদি যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰোপৰি কলাবাৰী, গহপুৰ, ঘাঁহিগাঁও আদি ঠাইৰ পৰা খেতিৰ উপযোগী মাটি হিচাবে চিহ্নিত কৰিবলৈ উৰ্দ্ধতম কৰ্তৃপক্ষলৈ মাটিৰ নমুনা প্ৰেৰণ কৰা হয়। লগতে কলাবাৰী, গহপুৰ আৰু ঘাঁহিগাঁৰৰ ২২২ জন কৃষকলৈ Soil health Card বিতৰণ কৰা হয়। ইয়াৰোপৰি গহপুৰ সমষ্টিৰ অন্তৰ্গত গ্ৰামীন বিকাশ বেংক, এলাহাবাদ বেংক, ইউকো বেংকৰ শাখা সমূহ, ষ্টেট বেংক বালিজান, ইউ বি আই বেংক গহপুৰ শাখাৰ জৰিয়তে মুঠ ৫ লাখ ৪৬ হাজাৰ টকাৰ কিষাণ ক্ৰেডিট কাৰ্ড (KCC) বিতৰণ কৰা হয়।

## ১৯। ক্ৰীড়া বিভাগ ঃ

(ক) সমষ্টিৰ ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলক শিক্ষাৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰতো আগবঢ়াই লৈ যোৱাৰ উদ্দেশ্য আগত ৰাখি শোণিতপুৰ জিলা ক্ৰীড়া বিভাগৰ অধীনত মুঠতে ১০০ টা যুৱক সংঘ আৰু ক্লাৱলৈ ভলীবল-নেট, ফুটবল, ক্ৰিকেট বেট-বল আদি খেলাৰ সামগ্ৰী বিতৰণ কৰা হয়।

(খ) গহপুৰ ক্ৰীড়া সন্থাৰ সৌজন্যত পৰিচালিত গহপুৰ নগৰত অৱস্থিত গহপুৰৰ ষ্টেডিয়ামটো বিধায়ক পুঁজিৰ পৰা ৩ লাখ টকা ব্যয় কৰি মাটি ভৰাই (Earth Filling) খেলাৰ বাবে উপযোগী কৰি তোলা হয়।

## ২০। সমাজ কল্যাাণ বিভাগ ঃ

(ক) মহেন্দ্ৰপুৰ, চন্দামাৰী আৰু টকৌবাৰীৰ অঙ্গনবাড়ী কেন্দ্ৰ ৩টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰলৈ পৰিৱৰ্তন কৰা হয়।

(খ) সমষ্টিৰ কণ-কণ শিশু সকলৰ নামত চৰকাৰে আৱন্টন দিয়া শিশু খাদ্যসমূহ পৰিকল্পিত আৰু সঠিকভাৱে বিতৰণ কৰাৰ বাবে বিহিত ব্যৱস্থা হাতত লোৱা হৈছে।

## ২১। প্ৰত্নতত্ব বিভাগ ঃ

অসম চৰকাৰৰ প্ৰত্নতত্ব বিভাগৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ জৰিয়তে গহপুৰ সমষ্টিৰ সত্ৰসমূহ ক্ৰমে শ্ৰীশ্ৰী কামদেৱাল সত্ৰ (দক্ষিণ কলাবাৰী), শ্ৰীশ্ৰী জাৰণিয়াল সত্ৰ (পূব-বৰঙাবাৰী), শ্ৰীশ্ৰী এলেঙী মদাৰগুৰি সত্ৰ (গোপালপুৰ), শ্ৰীশ্ৰীমাধৱ আতা সত্ৰ (কঠালনীবাৰী), দিপৰাপুখুৰী, শ্ৰীশ্ৰী কাৰৈমাৰী সত্ৰ (বিলতীয়া)ৰ উন্নীতকৰণৰ বাবে বুজন পৰিমানৰ আৰ্থিক সাহাৰ্য প্ৰদান কৰা হয়।

## ২২। বানাক্ৰান্ত ৰাইজক সাহাৰ্য বিতৰণ ঃ

গহপুৰ সমষ্টিত ২০১৬ চনত সংঘটিত হোৱা প্ৰলয়ংকাৰী বানপানীত বিধস্ত হোৱা ৰাইজৰ মাজত চাউল ১৬০৪ কুইন্টল, মচুৰ দাইল ২৯৯ কুইন্টল, চিৰা ১২ কুইন্টল, গুৰ ২ কুইন্টল, পশু খাদ্য ১০৫০ কুইন্টল বিতৰণ কৰা হয়। ইয়াৰোপৰি বানাক্ৰান্ত ৰাইজৰ মাজত আমি সো-শৰীৰে উপস্থিত থাকি স্বাস্থ্য শিবিৰ স্থাপন কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ-পাতি বিতৰণ কৰা হয়।



বানপানীৰ সাহাৰ্য বিতৰণ কৰা অৱস্থাত বিধায়ক



মিছিং অধ্যুসিত এলেকাত বানপানী পৰিদৰ্শন কৰা অৱস্থাত বিধায়ক

## ২৩। বৃক্ষৰোপন কাৰ্যসূচী ঃ

গছ থাকিলেহে মানুহ জীয়াই থাকিব। কিন্তু দুখৰ বিষয় যে বিগত চৰকাৰবোৰৰ কাৰ্যকালত আমাৰ ৰাজ্য খনৰ বনাঞ্চলসমূহ এফালৰ পৰা ধ্বংস কৰা হ'ল। ফলস্বৰূপে আমাৰ ৰাজ্যখনৰ বতৰ আৰু উত্তাপত সাংঘাটিক ধৰণে পৰিৰৰ্তন হোৱা পৰিলক্ষিত হৈছে। আমাৰ চৰকাৰ ক্ষমতালৈ আহিয়েই পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ অধীনত এনৰেগা আঁচনিৰ জৰিয়তে সমগ্ৰ ৰাজ্যখনক সামৰি বৃক্ষৰোপন কাৰ্যসূচী ৰূপায়ন কৰা হৈছিল। আমিও আমাৰ সমষ্টিৰ প্ৰতিখন পঞ্চায়তেতে এনৰেগা আঁচনিৰ জৰিয়তে বৃক্ষৰোপন কৰিছো। লগতে গছপুলিসমূহ জীৱ-জন্তুৱে নষ্ট কৰিব নোৱাৰাকৈ সংৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।



কলাবাৰী মহাবিদ্যালয়ৰ প্ৰাঙ্গনত বৃক্ষৰোপন কৰা মুহূৰ্তত বিধায়ক

## ২৪। আঁতৰি যোৱাজনলৈ শ্ৰদ্ধাঞ্জলি ঃ

এগৰাকী জন প্ৰতিনিধি হিচাপে আমি সদায় সমষ্টিবাসীৰ সুখ-দুখৰ প্ৰতিটো ক্ষণত তেখেতসকলৰ ওচৰত থাকি সমভাগী হৈ আহিছো। বিশেষ এই যে পাৰ হৈ যোৱা দিনবোৰত আমি কেইবাগৰাকী সমাজকৰ্মী, জ্যেষ্ঠ দলীয় কৰ্মীক চিৰদিনৰ বাবে হেৰুৱাবলগীয়া হৈছে। সকলোকেইগৰাকী ব্যক্তিকে যথা সময়ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছো।

## ২৫। নিযুক্তি ঃ

আমাৰ এবছৰীয়া কাৰ্যকালত ৭ গৰাকী নাৰ্চ আৰু ১ গৰাকী লেবৰটৰী টেকনিচিয়ানক যোগ্যতাৰ ভিত্তিত নিযুক্তি প্ৰদান কৰা হৈছে।

## ২৭। বৰ্ষটোৰ কেইটামান গুৰুত্বপূৰ্ণ অনুষ্ঠান ঃ

(ক) ৪২’ৰ ভাৰত ত্যাগ আন্দোলনত ২০ চেপ্তেম্বৰত বৃটিছ পুলিচৰ বন্দুকৰ গুলীত দেশৰ হকে প্ৰাণ আহুতি দিয়া গহপুৰ সমষ্টিৰ গৌৰৱ বীৰাঙ্গনা কনকলতা বৰুৱা আৰু বীৰ মুকুন্দ কাকতিৰ ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা সমষ্টিৰ বিশিষ্ট ব্যক্তি সকলক সন্মান জনোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰীৰ উপস্থিতিত ঘাঁহিগাঁৱত ২০ চেপ্তেম্বৰৰ ‘শ্বহীদ দিৱস’ দিনটো উদ্‌যাপন কৰা হয়।





(খ) প্ৰথম অসমীয়া কথাছবি ‘জয়মতী’ৰ নিৰ্মাণস্থলী ‘জ্যোতি চিত্ৰবন’ ষ্টুডিঅ’। এই গুৰুত্বপূৰ্ণ অনুষ্ঠানটোৰ অৱস্থা কালক্ৰমত জৰাজীৰ্ণ হৈ পৰাৰ পিছতো স্বাধীনোত্তৰ কালৰ কোনো এখন চৰকাৰেই পদক্ষেপ গ্ৰহণ কৰা দেখা নগ’ল। আমাৰ এবছৰীয়া কাৰ্যকালৰ ভিতৰতেই যোৱা ২০১৬ চনৰ ১৭ জানুৱাৰী শিল্পী দিৱসৰ অনুষ্ঠানটো ভোলাগুৰিত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া উপস্থিত থাকে আৰু তেখেতে ‘জ্যোতি চিত্ৰবন’ৰ পুনৰ নিৰ্মাণ কৰি সংৰক্ষণ কৰাৰ বাবে প্ৰথম পৰ্যায়ত ২০ লাখ টকাৰ অনুদান আগবঢ়ায়।





(গ) আমাৰ এবছৰীয়া কাৰ্যকালৰ সময়ছোৱাতেই মাননীয় মুখ্যমন্ত্ৰীৰ উপস্থিতিত অসমৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰাজ্যিক বাৰ্ষিক অধিবেশনভাগ গোপালপুৰ-সোলেঙী ৰমানন্দ সমন্বয় ক্ষেত্ৰত সুকলমে অনুষ্ঠিত হয়। এই অভাজন অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতিৰ দায়িত্বত থাকি যথাবিহিতভাৱে কাৰ্য সম্পাদন কৰিছিলো।




(ঘ) আমাৰ এবছৰীয়া কাৰ্যকালতেই গমিৰিত আন্তঃৰাষ্ট্ৰীয় বেদ সন্মিলনখন সুকলমে অনুষ্ঠিত হয়।



## ২৮। ভূমি সংৰক্ষণ বিভাগ ঃ

(ক) লোহিতমুখ গাঁও পঞ্চায়ত এলেকাৰ ৪ নং ৱাৰ্ডত কৃষি কাৰ্যৰ বাবে কৃষিবান্ধ নিৰ্মাণ কৰা হয়।

(খ) কলাবাৰী মহাবিদ্যালয়ৰ চৌহদত ভূমি সংৰক্ষণৰ বাবে নলা নিৰ্মাণ কৰা হয়।

(গ) এই বিভাগৰ জৰিয়তে বৰ্তমানেও সমষ্টিত থকা আবাদী, পিতনী, জলাশয় আদি কৰ্মোপযোগী কৰি গঢ়ি তোলাৰ ব্যৱস্থা গ্ৰহণ ।

## ২৯। বৰ্ষটোৰ ৰাজনৈতিক সফলতা ঃ

(ক) আমাৰ এবছৰীয়া কাৰ্যকালত অনুষ্ঠিত হোৱা দেউৰী স্বায়ত্বশাসিত নিৰ্বাচনত গহপুৰ সমষ্টিৰ প্ৰাৰ্থী হেমন্ত দেউৰীয়ে জয়লাভ কৰে।

(খ) গহপুৰ সমষ্টিৰ ৪খন সমবায় সমিতি ক্ৰমে গহপুৰ, কলাবাৰী, লোহিতমুখ আৰু ব্ৰহ্মাজান সমবায় সমিতিৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দিতাৰে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে।

## ৩০। বছৰটোৰ এটা গুৰুত্বপূৰ্ণ সেউজ সংকেট ঃ

নুমলীগড় আৰু গহপুৰ সংযোগী প্ৰস্তাৱিত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'বলগীয়া দলংখন স্থাপনৰ ক্ষেত্ৰত চৰকাৰৰ পৰা সেউজ সংকেট লাভ কৰিব পৰা গৈছে।

## ৩১। দুৰ্নীতিৰ বিৰুদ্ধে পদক্ষেপ ঃ

আমি বিধায়ক হিচাবে নিৰ্বাচিত হোৱাৰ আগৰ পোন্ধৰ বছৰীয়া শাসন কালছোৱাত সমষ্টিটোৰ সৰ্বস্তৰতে দুৰ্নীতিয়ে ছানি ধৰিছিল। ফলস্বৰূপে সমষ্টিটোৰ উন্নয়নৰ গতি স্থবিৰ হৈ পৰিছিল। মুকলিকৈ ৰাজহুৱা ধনৰ আত্মসাৎ কৰা হৈছিল। বৰ্তমান সময়ত আমি সকলোৱে উপলব্ধি কৰিছো যে যিকোনো এটা অঞ্চলৰ প্ৰগতিৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হৈছে দুৰ্নীতি। ইতিমধ্যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত সমগ্ৰ ৰাজ্যতে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ অভিযান আৰম্ভ হৈছে। চৰকাৰী কাৰ্যালয়সমূহত নিদিও আৰু নলও নীতি গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। আমিও বিগত এবছৰে সমষ্টিটোৰ সৰ্বস্তৰৰ পৰা দুৰ্নীতিক পুলিয়ে-পোখাই উভালি পেলোৱাৰ আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছো। এইক্ষেত্ৰত সমষ্টিটোৰ সকলো বিষয়া-কৰ্মচাৰী, সাংবাদিক, বুদ্ধিজীৱি, জাতীয় সংগঠনসমূহৰ লগতে সমষ্টিবাসী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিলো।




গহপুৰ নগৰৰ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নিয়ম নীতি সমূহৰ ক্ষেত্ৰত হিতাধিকাৰী সকলৰ সভাত বিধায়ক।



দলীয় ৰাজহুৱা সভাত অংশ গ্ৰহণৰ মুহূৰ্তত বিধায়ক।

# ২০১৬-১৭ বৰ্ষৰ বিধায়ক পুঁজিৰ দ্বাৰা নিৰ্মাণ ও মেৰামতি চলি থকা কামৰ বৰ্ণনা

# Statement of on going scheme under MLA-LAD 2016-17

## (কামসমূহৰ বিপৰীতে আৱন্টিত মুঠ ধনৰাশিৰ ৭৫% শতাংশ ধনহে মুকলি কৰি দিয়া হৈছে।)

| ক্র. নং | আঁচনিৰ নাম | ধনৰাশি | উন্নয়ণ খণ্ডৰ নাম | গাঁও পঞ্চায়ত | |
|---|---|---|---|---|---|
| ১ | ৰজাবাৰী উঃ মাঃ বিদ্যালয়ৰ শ্ৰেণী কোঠা নিৰ্মাণ | ৩ লাখ | পূৱ ছয়দুৱাৰ | খাৰৈপৰীয়া | |
| ২ | শান্তিপুৰ উঃ মাঃ বিদ্যালয়ৰ চাৰিসীমাৰ পকীবেৰ নিৰ্মাণ | ১.৫ লাখ | পূৱ ছয়দুৱাৰ | উত্তৰ কলাবাৰী | |
| ৩ | চত্ৰং বৰবালিৰ পৰা খাবৌ চেন্টাৰলৈ পথৰ উন্নয়ণ | ১ লাখ | পূৱ ছয়দুৱাৰ | সোণাপুৰ | |
| ৪ | ডুবিয়া পথাৰ ৰংগমঞ্চৰ মাটি ভৰোৱা কাম | ১ লাখ | পূৱ ছয়দুৱাৰ | ডুবিয়া | |
| ৫ | ধন্দিৰ কম্বংগাঁও কলা-কৃষ্টি কেন্দ্ৰৰ নামত | ১ লাখ | পূৱ ছয়দুৱাৰ | লোহিতমুখ | |
| ৬ | লোহিতমুখ ছোৱালী উঃ মাঃ বিদ্যালয় প্ৰাঙ্গনত মাটি ভৰোৱা কামৰ বাবে | ১ লাখ | পূৱ ছয়দুৱাৰ | লোহিতমুখ | |
| ৭ | ঘগৰাত কমিউনিটি হল নিৰ্মাণৰ বাবে | ১ লাখ | পূৱ ছয়দুৱাৰ | ঘগৰা | |
| ৮ | বৰতামুলীত কমিউনিটি হল নিৰ্মাণৰ বাবে | ১.৫ লাখ | পূৱ ছয়দুৱাৰ | বৰতামুলী | |
| ৯ | সোৱণশিৰিমুখ এম.ভি. স্কুলৰ পুনৰ মেৰামতিৰ নামত | ১.৫ লাখ | পূৱ ছয়দুৱাৰ | পিছলা | |
| ১০ | চাইকেল ষ্টেণ্ড নিৰ্মাণ, বিদ্যালয়গৃহৰ মেৰামতি ও পুনৰ নিৰ্মাণ আৰু মাটি ভৰোৱা কাম | ২.৫ লাখ | পূৱ ছয়দুৱাৰ | ৰাওনামুখ | |
| ১১ | গুৰুদেৱ কালিচৰণ ইংৰাজী বিদ্যালয়ৰ সমীপত কমিউনিটি হল নিৰ্মাণৰ বাবে | ২.৫ লাখ | পূৱ ছয়দুৱাৰ | আলুপাৰা | |
| ১২ | কলাবাৰী ছোৱালী উঃ মাঃ বিদ্যালয়ৰ হলটো মেৰামতিৰ বাবে | ২ লাখ | পূৱ ছয়দুৱাৰ | কলাবাৰী | |
| ১৩ | ডুবিয়া এম.ভি. স্কুলৰ চৌহদৰ ভিতৰত কমিউনিটি হল নিৰ্মাণৰ বাবে | ২ লাখ | পূৱ ছয়দুৱাৰ | ডুবিয়া | |
| ১৪ | দেউৰী সংস্কৃতি বিকাশ কেন্দ্ৰ, শান্তিপুৰ দেউৰীগাঁৱৰ নামত | ২.৫ লাখ | পূৱ ছয়দুৱাৰ | উঃ কলাবাৰী | |
| ১৫ | নাহৰণীস্থিত শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ চৌহদত পকীবেৰ নিৰ্মাণৰ বাবে | ১.৫ লাখ | পূৱ ছয়দুৱাৰ | ডুবিয়া | |
| ১৬ | গোপালপুৰস্থিত শিক্ষক ভৱনটো শ্ৰীমন্ত শঙ্কৰ সংঘৰ কাৰ্যালয় হিচাপে মেৰামতিৰ নামত | ২ লাখ | পূৱ ছয়দুৱাৰ | গোপালপুৰ | |
| ১৭ | ৰাজগড় পথৰ পৰা টেঙাজাৰণী সংযোগী পথত দুটা হিউমপাইপ সংলগ্ন কালভাৰ্ট নিৰ্মাণৰ বাবদ | ৪ লাখ | পূৱ ছয়দুৱাৰ | সোণাপুৰ | |
| ১৮ | মৰণৈগুৰি শঁকুৰা পথত থকা SPT Bridge No.8/1 (Narrow) ৰ মেৰামতিৰ নামত | ৭.৩৬ লাখ | পূৱ ছয়দুৱাৰ | পশ্চিম কলাবাৰী | |
| ১৯ | কল্যাণপুৰস্থিত ভকতচুকত কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ নামত | ১.৫ লাখ | পূৱ ছয়দুৱাৰ | কল্যাণপুৰ | |
| ২০ | মিছামাৰীস্থিত গোৰ্খা ছাত্ৰ সন্থাৰ কাৰ্যালয় চৌহদত | | | | |

| ক্র. নং | আঁচনিৰ নাম | ধনৰাশি | উন্নয়ণ খণ্ডৰ নাম | গাঁও পঞ্চায়ত | |
|---|---|---|---|---|---|
| | কমিউনিটি হল নিৰ্মাণৰ বাবদ | ২ লাখ | ছয়দুৱাৰ | মিছামাৰী | |
| ২১ | বাথৌ কলা-কৃষ্টি কেন্দ্ৰৰ নামত | ১.৫ লাখ | ছয়দুৱাৰ | আমজাৰণি | |
| ২২ | শ্বহীদ মুকুন্দ কাকতী হাইস্কুলৰ চৌহদত পকী বেৰ নিৰ্মাণৰ কামৰ বাবদ | ২.৩ লাখ | ছয়দুৱাৰ | হেলেম | |
| ২৩ | গহপুৰ নগৰৰ কণীবড়িস্থিত গহপুৰ মিনি ষ্টেডিয়ামৰ খেলপথাৰৰ উন্নয়ণৰ নামত | ৩ লাখ | পূৱ ছয়দুৱাৰ | গহপুৰ নগৰ | |
| ২৪ | মধ্যচত্ৰংৰ পৰা ধেনুধৰা পথ সংযোগী ৰাস্তা নিৰ্মাণৰ বাবদ | ২.৫ লাখ | পূৱ ছয়দুৱাৰ | গহপুৰ নগৰ | |
| ২৫ | মিলন নগৰ-দেওবৰীয়া সাপ্তাহিক বজাৰ - ভূপেন পেগুৰ ঘৰলৈ চানগুৰি পথত মাটি আৰু শিলগুৰি দিয়াৰ বাবদ | ২ লাখ | পূৱ ছয়দুৱাৰ | গহপুৰ নগৰ | |
| ২৬ | বৰুৱাপথাৰ বৰনামঘৰৰ সমীপত কমিউনিটি হল নিৰ্মাণৰ বাবদ | ১ লাখ | ছয়দুৱাৰ | আমতলা | |
| ২৭ | শংকৰী বিকাশ কেন্দ্ৰ বাথৌ হন্টাপাৰাৰ নামত | ১ লাখ | ছয়দুৱাৰ | কৃষ্ণপুৰ, বালিজান | |
| ২৮ | গহপুৰ মহকুমাৰ স্বাস্থ্য কেন্দ্ৰৰ উন্নীতকৰণ বাবদ | ১৪.৪ লাখ | পূৱ ছয়দুৱাৰ | গহপুৰ নগৰ | |
| ২৯ | কাউৰিপথাৰ চেন্টাৰত কমিউনিটি হল নিৰ্মাণৰ বাবদ | ৩ লাখ | ছয়দুৱাৰ | কাৰিবিল | |
| ৩০ | বিলতীয়া স্বাস্থ্যকেন্দ্ৰলৈ যোৱা পথত 120cm ৰ হিউম পাইপ সংলগ্ন কালভাৰ্টৰ নামত (ৱাৰ্ড নং-১) | ২ লাখ | ছয়দুৱাৰ | ৰাঙলীয়াল | |
| ৩১ | কলা-কৃষ্টি কেন্দ্ৰ খাটৰবাৰী কৈৱৰ্ত্ত গাঁও (ৱাৰ্ড নং-১) | ১.৫ লাখ | ছয়দুৱাৰ | বাকৰিদলনী | |
| ৩২ | হাতীবন্ধীয়া গাঁৱত কমিউনিটি হল নিৰ্মাণৰ বাবদ | ২ লাখ | ছয়দুৱাৰ | বাকৰিদলনী | |
| ৩৩ | চৌহদৰ বেৰ নিৰ্মাণ ও কমিউনিটি হলত মাটি ভৰোৱা কামৰ বাবদ (ডফলাগড় ফুটবল ফিল্ড) | ১.৫ লাখ | ছয়দুৱাৰ | টেটোনবাৰী | |
| ৩৪ | মণিকা ভৱন নিৰ্মাণৰ বাবদ | ২ লাখ | ছয়দুৱাৰ | চত্ৰং | |
| ৩৫ | পূৱ সুতাৰ গাঁৱত দখনা বাকৰি কমিউনিটি হল নিৰ্মাণৰ বাবদ | ১.৫ লাখ | ছয়দুৱাৰ | কল্যাণপুৰ | |
| ৩৬ | চাৰেঙ্গীয়া মুক্তি যুজাৰু ভৱনৰ সমীপত কমিউনিটি হল নিৰ্মাণৰ বাবে | ২ লাখ | ছয়দুৱাৰ | কল্যাণপুৰ | |
| ৩৭ | ডানিয়েল তপ্ন হোষ্টেলৰ মেৰামতিৰ বাবদ | ২ লাখ | ছয়দুৱাৰ | গহপুৰ নগৰ | |
| ৩৮ | বৰপুখুৰী এল.পি. স্কুলৰ মেৰামতিৰ বাবদ | ০.৭৫ লাখ | পূৱ ছয়দুৱাৰ | গহপুৰ নগৰ | |
| ৩৯ | গোঁহাই গাঁৱত কমিউনিটি হল নিৰ্মাণৰ বাবদ | ২ লাখ | পূৱ ছয়দুৱাৰ | গহপুৰ নগৰ | |
| ৪০ | চেংমৰা সাপ্তাহিক বজাৰৰ টয়লেটৰ উন্নীতকৰণ | ০.৭৫ লাখ | পূৱ ছয়দুৱাৰ | কলাবাৰী | |
| ৪১ | কলমৌগুৰিৰ দলং নিৰ্মাণৰ বাবদ | ২ লাখ | পূৱ ছয়দুৱাৰ | কলাবাৰী | |
| ৪২ | পশ্চিম ধন্দি পথাৰত মাটি ভৰোৱা কামৰ বাবদ | ১ লাখ | পূৱ ছয়দুৱাৰ | খাৰৈপৰীয়া | |
| ৪৩ | ৰজাবাৰী এল.পি. স্কুলত মাটি ভৰোৱা কামৰ বাবদ | ১ লাখ | পূৱ ছয়দুৱাৰ | খাৰৈপৰীয়া | |
| ৪৪ | ছয়দুৱাৰ শিক্ষণ মহাবিদ্যালয়ত প্ৰস্ৰাৱগাৰ নিৰ্মাণ | ১.৪০ লাখ | পূৱ ছয়দুৱাৰ | কলাবাৰী | |
| ৪৫ | শুকুৰবৰী চেন্টাৰলৈ যোৱা পথত শিলগুটি দি উন্নীতকৰণৰ বাবদ | ২.০৪ লাখ | পূৱ ছয়দুৱাৰ | পূৱ ডুবিয়া | |




ৰাজ্যিক ভিত্তিত অনুষ্ঠিত
শিল্পী দিৱসত মাননীয় মুখ্যমন্ত্ৰীক
সম্বৰ্ধনা জনোৱা মুহূৰ্তত
বিধায়ক।



প্ৰস্তাৱিত নৱ নিৰ্মিত আৱৰ্ত
ভৱন নিৰ্ম্মাণৰ আধাৰশিলা
উন্মোচন কৰা মুহূৰ্তত মাননীয়
মুখ্যমন্ত্ৰী আৰু জলসিঞ্চন মন্ত্ৰীৰ
লগত বিধায়ক



শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ
গোপালপুৰ-সোলেঙী ৰমানন্দ
সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা
মুকলি অধিৱেশনত
মাননীয় মুখ্যমন্ত্ৰীক সম্বৰ্ধনা জনোৱাৰ
মুহূৰ্তত বিধায়ক।




সোলেঙী বান্ধ নিৰ্ম্মাণৰ
আধাৰশিলা স্থাপনৰ মুহূৰ্তত
বিধায়ক।



কল্যাণী মন্দিৰৰ উন্নয়ন কল্পে দোকান গৃহ
নিৰ্ম্মাণৰ আধাৰশিলা স্থাপন মুহূৰ্তত
বিধায়ক।




প্ৰাক্তন মন্ত্ৰী ৰামচন্দ্ৰ শৰ্ম্মাক
ছয়দুৱাৰ মহাবিদ্যালয়ৰ
সোণালী জয়ন্তী উপলক্ষে
পতাকা উত্তোলনৰ কাৰ্যসূচীত
সম্বৰ্ধনা জনোৱামুহূৰ্তত বিধায়ক।



গুণোৎসৱত  মাননীয় মুখ্যমন্ত্ৰী, মাননীয় ৰাজ্যিক সভাপতি আৰু মাননীয় গড়কাপ্টানী মন্ত্ৰীৰ লগত বিধায়ক।



ছয়দুৱাৰ মহাবিদ্যালয়ৰ আছুতীয়া পুঁজিৰ দ্বাৰা গৃহ নিৰ্ম্মাণৰ আধাৰশিলাৰ স্থাপনৰ মুহূৰ্তত বিধায়ক।



গহপুৰ মহকুমাৰ ন্যায়িক দণ্ডাধীশৰ আৱাসগৃহ নিৰ্ম্মাণৰ আধাৰশিলা উন্মোচনৰ মুহূৰ্তত মহকুমাধিপতিৰ সৈতে বিধায়ক।




গহপুৰ নগৰৰ মাজ মজিয়াত
স্বচ্ছ ভাৰত অভিযানৰ সময়ত
বিধায়ক।



টিঙালীবড়ী কালভাৰ্ট নিৰ্ম্মাণৰ সময়ত
বিধায়কৰ প্ৰত্যক্ষ পৰিদৰ্শন ।



মহকুমা কল্যাণ বিষয়া কাৰ্যালয়ৰ
পকী চাৰিবেৰৰ আধাৰশিলা স্থাপনত
বিধায়ক।



গহপুৰ নগৰৰ ৪নং ৱাৰ্ডত থকা বাঁহৰ দলঙৰ পৰিৱৰ্তে বিধায়ক পুঁজিৰ ৩.৬ লাখ টকাৰ ব্যয় সাপেক্ষে কাঠৰ দলং নিৰ্ম্মাণৰ আগমুহূৰ্তত পৰিদৰ্শন।

বড়ো মহিলা সকলৰ লগত উন্নয়ন সম্পৰ্কত বিধায়কৰ বাৰ্তালাপ।





গুৱাহাটী ৰাণী স্থিত অতিথিশালাত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী কিৰণ ৰিজিজুৰ সৈতে বাৰ্তালাপত বিধায়ক।



ধৰ্ম্মীয় অনুষ্ঠানত ৰাইজৰ লগত বিধায়ক।



চাহ জনগোষ্ঠীলোকৰ মাজত বিধায়ক।



গহপুৰৰ বিশিষ্ট সমাজকৰ্ম্মী শিক্ষাবিদ প্ৰয়াত কেশৰচন্দ্ৰ হাজৰিকাৰ মৃতদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ মুহূৰ্তত বিধায়ক।



হেলেম মজজিদত ইফটাৰৰ
মুহূৰ্তত বিধায়ক।



ভগ্ন মথাউৰি পৰিদৰ্শনৰ
মুহূৰ্তত বিধায়ক।



বানপানীৰ সময়ত মিছিং
ৰাইজৰ দুখ-বেদনাৰ বুজ
লোৱাৰ মুহূৰ্তত বিধায়ক।

# ৭৮ নং গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক

## শ্ৰীউৎপল বৰাৰ

# প্ৰথম বৰ্ষপূৰ্তি খতিয়ান

২০১৬-১৭ বৰ্ষ

শ্ৰদ্ধাভাজনেষু,

জয়জয়তে আপোনাসৰলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। আপোনাসৰৰ জ্ঞাত যে বীৰাঙ্গনা কনকলতা বৰুৱা আৰু বীৰ মুকুন্দ কাকতিৰ মহান ত্যাগেৰে বুৰঞ্জীৰ পাতত জিলিকি থকা ঐতিহ্যমণ্ডিত গহপুৰ সমষ্টিৰ পৰা বিগত ২০১৬ চনৰ ১৯ মে' তাৰিখে আপোনাসৰে আমাক বিধায়ক হিচাবে বিপুল ভোটৰ ব্যৱধানত জয়যুক্ত কৰি অসম বিধান সভালৈ প্ৰেৰণ কৰিছিল। চাওঁতে চাওঁতে বিধায়ক হিচাবে আমি ইতিমধ্যে এটা বৰ্ষ সম্পূৰ্ণ কৰিছো। সেয়েহে আমি আজিৰ দিনটোত থিয় হৈ এৰি অহা দিনবোৰলৈ এবাৰ উভতি চোৱাৰ প্ৰয়াস কৰাৰ সময়ত আমাৰ মনত কেইবাটাও প্ৰশ্নৰ অৱতাৰণা হৈছে। সমষ্টিবাসীয়ে এগৰাকী বিধায়ক হিচাবে আমাক লৈ দেখা সপোনবোৰক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত বিগত এবছৰে আমি সফল হৈছোনে? এগৰাকী জনপ্ৰতিনিধি হিচাবে পাৰ হৈ যোৱা ৩৬৫ দিনত আমি কিমান সক্ৰিয় আছিলো? বিভিন্ন সমস্যাৰে জৰ্জৰিত সমষ্টিবাসীৰ সুখ-দুখত আমি তেওঁলোকৰ সৈতে একাকাৰ হৈছিলোনে? এই অভাজন বিধায়ক হিচাবে নিৰ্বাচিত হোৱাৰ আগৰ পোন্ধৰ বছৰীয়া পৰিয়ালকেন্দ্ৰিক ৰাজনীতিত স্থৱিৰ হৈ পৰা গহপুৰ সমষ্টিৰ উন্নয়ণৰ গতি পাৰ হৈ যোৱা এবছৰীয়া কাৰ্যকালত ত্বৰান্বিত কৰাত আমাৰ ভূমিকা কেনেকুৱা আছিল? এগৰাকী বিধায়ক হিচাবে আমি আমাৰ নৈতিক প্ৰভাৱ আৰু কঠোৰ শৃংখলা প্ৰয়োগৰ দ্বাৰা সমষ্টিৰ সকলো স্তৰৰ পৰা দুৰ্নীতি দূৰ কৰি প্ৰশাসন যন্ত্ৰটো ৰাইজৰ সেৱকত পৰিণত কৰাত সফল হৈছোনে? এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ এগৰাকী বিধায়ক হিচাবে বিগত এবছৰে আমি সম্পন্ন কৰা সকলো কাম-কাজৰ এক খতিয়ান আপোনাসৰৰ বাবে যুগুত কৰি উলিয়াইছো। আমাক লৈ দেখা আপোনাসৰৰ আশা-আকাংক্ষা আৰু এগৰাকী বিধায়ক হিচাবে আমাৰ সফলতা-বিফলতাৰ এক বাস্তৱ দলিল হিচাবে আমি এই পুস্তিকাখন প্ৰকাশ কৰিছো।

আশা কৰিছো এই পুস্তিকাখনত সন্নিবিষ্ট হোৱা এবছৰীয়া কাম-কাজৰ এক নিৰ্মোহ বিশ্লেষণেৰে সমষ্টি বাসীয়ে মোক অনাগত দিনবোৰত দুগুণ উদ্যমেৰে আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰিব।

শেষত মোৰ এই যাত্ৰাত সহায়-সহযোগিতা কৰা সকলো ৰাইজ আৰু দলীয় সতীৰ্থ সকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো লগতে সমষ্টিবাসী ৰাইজলৈ পুনৰবাৰ সেৱা যাচি আমাৰ এই পুস্তিকাখনি আপোনাসৰৰ জ্ঞাতাৰ্থে অৰ্পন কৰিলো। ইতি

ভাৰত মাতা কী জয়।
জয় আই অসম।

শ্ৰদ্ধাৰে-
ৰাইজৰ সেৱক

(উৎপল বৰা)
বিধায়ক
গহপুৰ বিধান সভা সমষ্টি।